**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। নিষিদ্ধ ঘোষিত সংগঠন আলফাৰ প্ৰত্যাক্ৰমণৰ আশংকাত সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া।

২। ন্যায়াধীশ আশুতোষ কুমাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ। ৰাজ্যৰ সাতখন বিশ্ববিদ্যালয়ত নতুন উপাচাৰ্য নিযুক্তি।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কোকৰাঝাৰত ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন কেন্দ্ৰ উদ্বোধন।

৪। ৰাজ্যত এইপৰ্যন্ত জাপানীজ এনকেফেলাইটিছত ২৪ জনৰ মৃত্যু, নলবাৰী, গোলাঘাট, দৰং জিলাত সৰ্বাধিক আক্ৰান্ত। **আৰু**

৫। তৃতীয় টেষ্টত যুঁজ দিও পৰাজয় ভাৰতৰ। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীত ইংলেণ্ডৰ ২-১ৰ অগ্ৰগতি।

০০০০০০

ম্যানমাৰৰ আলফা স্বাধীনৰ শিবিৰত যোৱা দেওবাৰে হোৱা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অৱশ্যে সেনা বাহিনী, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে এতিয়ালৈকে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই। চৰকাৰৰ এই স্থিতিৰ বিপৰীতে সংগঠনটোৱে এটা বিবৃতিত সেনা বাহিনীৰ এই আক্ৰমণৰ ফলত ৩ জন সদস্য নিহত আৰু ১৯ জন আহত হোৱা বুলি প্ৰকাশ কৰিছে। নাগা উগ্ৰপন্থী সংগঠন এন এছ চি এনেও বিবৃতিযোগে সেনা বাহিনীয়ে ম্যানমাৰত সংগঠনটোৰ শিবিৰক লক্ষ্য কৰি দুটা স্থানত একাধিক ড্ৰোণ আক্ৰমণ কৰে বুলি প্ৰকাশ কৰে। এনে পৰিস্থিতিত সংগঠনটোৱে প্ৰতিশোধকল্পে কুটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱাৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত হৈ আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত কালি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

০০০০০০

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত কৰা ৰাজ্যৰ সাতখন শিক্ষানুষ্ঠানত কালি উপাচাৰ্য নিযুক্তি দিয়া হয়। যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ত অধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়াক, শিৱসাগৰ বিশ্ববিদ্যালয়ত

অধ্যাপক মহাদেৱ পাটগিৰিক, নগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক হিতেশ ডেকাক, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ত অধ্যাপক মুকুল বৰাক, বঙাইগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক তাৰিণী চন্দ্ৰ ডেকাক, শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত অধ্যাপক নিৰঞ্জন ৰয়ক আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ত অধ্যাপক গণেশ চন্দ্ৰ ৱাৰিক উপাচাৰ্য পদত নিযুক্তি দিয়া হৈছে। এই উপাচাৰ্য নিযুক্তিৰ পাছতেই কেউখন বিশ্ববিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়াসহ অন্যান্য বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। উল্লেখযোগ্য যে ২০২৩ চনত অসম চৰকাৰে ৭ খন নতুন বিশ্ববিদ্যালয় আইন গৃহীত কৰিছিল যদিও শিৱসাগৰ বিশ্ববিদ্যালয়ত এগৰাকী ভাৰপ্ৰাপ্ত উপাচাৰ্যক দায়িত্ব দিয়াৰ বাহিৰে আন বিশ্ববিদ্যালয় কেইখনত উপাচাৰ্য নিযুক্তি নিদিয়াত বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা হোৱা নাছিল।

০০০০০০

উচ্চতম ন্যায়ালয়ে সামাজিক মাধ্যমযোগে ঘৃণা বিয়পোৱা বক্তব্য নয়িন্ত্ৰণ কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰলৈ নিৰ্দেশনা জাৰি কৰিছে। অৱশ্যে এই ক্ষেত্ৰত নাগৰিকৰ বাক্ স্বাধীনতা যাতে খৰ্ব নহয়, সেয়া নিশ্চিত কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি ভি নাগৰত্না আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ঘৃণাসূচক বক্তব্য দিয়া লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি সাধাৰণ নাগৰিকে বাক্ স্বাধীনতাৰ মূল্য বুজি পোৱা উচিত বুলিও ন্যায়াধীশ দুজনে মন্তব্য কৰে।

০০০০০০

ৰাজ্যত ক্ৰীড়াৰ পৰিৱেশ উন্নীত কৰাৰ বাবে আজি বিয়লি চাৰে ৪ বজাত তৃতীয়টো উচ্চ মান সম্পন্ন ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন কৰা হ'ব। কোকৰাঝাৰত ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন কেন্দ্ৰটোৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। তদুপৰি ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগ, অইল ইণ্ডিয়া লিমিটেড, নুমলীগড় ৰিফাইনেৰী লিমিটেড আদিৰ সহযোগত স্থাপন কৰা কেন্দ্ৰটোত উন্নত ক্ৰীড়া প্ৰযুক্তি, তৃণমূল পৰ্যায়ৰ এথলেটৰ বিভিন্ন সা-সুবিধা, তেওঁলোকৰ যোগ্যতা নিৰূপণ আদি ব্যৱস্থা থাকিব। ২৫ কোটি ৭০ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ক্ৰীড়া প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

ইপিনে কোকৰাঝাৰ জিলাৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত আজি বড়োলেণ্ড চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাজলগাঁও দল কচুগাঁও দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে বহুলোক চিকিৎসাধীন হৈ আছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। নলবাৰীত ১৯, গোলাঘাট আৰু দৰঙত ১৮ জনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। ৰোগৰ ফলত কমেও ২৪ জন লোকৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

দেশৰ ভিতৰতে অসমত এই ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক বুলিও সংশ্লিষ্ট বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি যোৱা ৭ বছৰত অৰ্থাৎ ২০১৮ বা ২০২৪ চনলৈ ৰাজ্যখনত ৩ হাজাৰ ৩৪০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত ৫২৯ জনৰ মৃত্যু হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ উপ-অধীক্ষক উজ্জ্বল কুমাৰ শৰ্মাই প্ৰকাশ কৰা মতে হাস্পতালখনত কালি পৰ্যন্ত ৬৭ জন লোকৰ দেহত এই ৰোগৰ অৱস্থিতি ধৰা পৰে।

ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। চিলাপথাৰত এই ৰোগত আক্ৰান্ত হৈ এটি পাঁচবছৰীয়া শিশুৰ মৃত্যু হয়। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাৱ সন্দৰ্ভত এয়া ধেমাজিৰ পৰা আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা ---- **-ভইচ-**

গোলাঘাট জিলাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ১৯ লৈ বৃদ্ধি পাইছে। শোণিতপুৰ জিলাতো এই ৰোগে গুৰতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ জিলাখনত এটি শিশুসহ দুগৰাকী লোকৰ মৃত্যু হৈছে। জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৰা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

oooooo

আই আই টি, গুৱাহাটী আৰু শ্ৰীকিষাণ সাৰদা মহাবিদ্যালয়ৰ উদ্যোগত হাইলাকান্দিত কালি এটা সৌৰ প্ৰকল্প আৰু ঔষধী গছৰ খেতি আঁচনি মুকলি কৰা হয়। মহাবিদ্যালয়খনত স্থাপন কৰা ৫০ কিলোৱাট ক্ষমতাসম্পন্ন সৌৰ প্ৰকল্প জিলাখনৰ অতিৰিক্ত আয়ুক্ত দীপামালা গোৱালা, আই আই টি গুৱাহাটীৰ অধ্যাপক সিদ্ধাৰ্থ সিং আৰু এইচ ডি এফ চি বেংকৰ মুৰব্বী অসীম দাসে উদ্বোধন কৰে। বেংকটোৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত এই প্ৰকল্প ৰূপায়ণ কৰা হৈছে। প্ৰকল্পৰ লগতে ঔষধী গছৰ খেতিও কৰাৰ বাবে আঁচনি লোৱা হৈছে। এই সন্দৰ্ভত জিলাখনত অতিৰিক্ত আয়ুক্তগৰাকীয়ে এইদৰে কয় -

বাইট

আই আই টি গুৱাহাটী আৰু এইচ ডি এফ চি বেংকে জিলাখনত ১৫ খন অনুৰূপ আঁচনি মুকলি কৰিব বুলি অধ্যাপক সিদ্ধাৰ্থ সিঙে প্ৰকাশ কৰে।

বাইট

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ঘাঁহনি অঞ্চলত বিচৰণ কৰা পক্ষীৰ জৰীপ সম্পন্ন হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে এই কথা প্ৰকাশ কৰি এই জৰীপত মুঠ ৪৩ টা প্ৰজাতিৰ পক্ষীৰ বিচৰণ নিশ্চিত কৰিছে। ইয়াৰ ভিতৰত এটা অতি বিপন্ন আৰু দুটা বিপন্নপ্ৰায় প্ৰজাতিৰ পক্ষীৰ উপস্থিতি ধৰা পৰিছে বুলি তেওঁ প্ৰকাশ কৰে। সঞ্চালকগৰাকীয়ে কয়, যে প্ৰথমবাৰৰ বাবে কাজিৰঙাত হোৱা এই জৰীপৰ ফলাফল অতি সন্তোষজনক। বিপন্ন প্ৰজাতিৰ পক্ষীবিদ বেংগল ফ্লৰিকান বুলিও সঞ্চালকগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দুটা পদ্ধতিৰে এই জৰীপ চলোৱা হৈছিল। 'পইণ্ট কাউণ্ট' শীৰ্ষক জৰীপত প্ৰতি ১৫ মিনিটৰ মূৰে মূৰে ঘাঁহনি অঞ্চলত পক্ষীৰ জৰীপ চলায়। একেদৰে 'একষ্টিক' শীৰ্ষক জৰীপত পক্ষীৰ মাত

যন্ত্ৰৰ দ্বাৰা বাণীবদ্ধ কৰা হয়। এই জৰীপত বিপন্ন প্ৰজাতিৰ ফিন্‌জ উইভাৰ বা টোকোৰা চৰাইৰ এটা প্ৰজনন ক'লনি কঁহৰা বনাঞ্চলত প্ৰত্যক্ষ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ লগতে বিজ্ঞানীৰ দল, দক্ষ পক্ষীৰ নিৰীক্ষক আৰু গৱেষকে এই জৰীপ সম্পন্ন কৰে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিবৃতিযোগে প্ৰকাশ কৰে। কাজিৰঙা আৰু ইয়াৰ আশে-পাশে পূব অসম, বিশ্বনাথ আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলক সামৰি কৰা এই জৰীপ সন্দৰ্ভত উদ্যানখনৰ তৰফৰ পৰা প্ৰতিবেদন প্ৰকাশ কৰা হৈছে।

০০০০০০

আকৰ্ষণীয় পৰ্যায়ত উপনীত হোৱা লৰ্ডছ ক্ৰিকেট টেষ্টত ভাৰত ২২ ৰানত পৰাস্ত হৈছে। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ তৃতীয় টেষ্টখনৰ এই জয়ৰ সুবাদত ইংলেণ্ডে শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে। ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ নমা ভাৰতে সহজেই জয়ী হ'ব বুলি প্ৰথম অৱস্থাত বহুতেই ধাৰণা কৰিছিল যদিও ঘৰুৱা দলটোৱে চমকপ্ৰদ বলিঙেৰে ১৭০ ৰানতেই ভাৰতক সীমাৱদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হয়।

৬১ ৰান কৰি অপৰাজিত হৈ থকা ৰবীন্দ্ৰ জাদেজাই অকলশৰে যুঁজ দিলেও যোগ্য সংগীৰ অভাৱত দলক জয়ৰ সোৱাদ দিয়াত ব্যৰ্থ হয়। দ্বিতীয় ইনিংছত অপেনাৰ এক এল ৰাহুলে ৩৯ ৰান কৰাৰ বাদে ভাৰতৰ আন কোনো খেলুৱৈ ইংলেণ্ডৰ বলাৰৰ সন্মুখত তিষ্ঠিব নোৱাৰিলে। ইংলেণ্ডৰ বেন ষ্ট'কছ আৰু জ'ফ্ৰা আৰ্চাৰে তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে দুয়োটা দলেই প্ৰথম ইনিংছত ৩৮৭ ৰানকৈ সংগ্ৰহ কৰিছিল। বেন ষ্ট'কছক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

পাঁচখনীয়া শৃংখলাৰ পৰৱৰ্তী খেলখন অহা ২৩ জুলাইত মানচেষ্টাৰত আৰম্ভ হ'ব।

০০০০০০

সামাজিক মাধ্যম এক্সত হিন্দু দেৱতাৰ বিৰুদ্ধে কৰা প'ষ্টৰ বিৰুদ্ধে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি ভি নাগৰত্না আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে কয়, যে নাগৰিকসকলে বাক তথা মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ মূল্য বুজিব লাগিব আৰু সামাজিক মাধ্যমত মত প্ৰকাশৰ ক্ষেত্ৰত থকা নিৰ্দেশাৱলীৰ প্ৰতি সংবেদনশীল হ'ব লাগিব। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

স্বাভাৱিকতকৈ এইবেলি বৰষুণৰ পৰিমাণ যথেষ্ট হ্ৰাস পোৱাৰ বাবে নামনি আৰু মধ্য অসমৰ পথাৰত চিৰাল ফাঁট দিছে। এইক্ষেত্ৰত জলসিঞ্চন বিভাগৰ ব্যৰ্থতাৰ দিশটো আঙুলিয়াই **অসমীয়া প্ৰতিদিন** আৰু **দা ছেণ্টিনেল** কাকতে বাতৰি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে অৰুণাচলত ব্ৰহ্মপুত্ৰত ১১ হাজাৰ মেগাৱট শক্তি সম্পন্ন চিয়াং বহুমুখী প্ৰকল্প নিৰ্মাণৰ পূৰ্ণ প্ৰস্তুতি চলাইছে বুলি **দৈনিক জনমভূমি** কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেখন কাকতে চীনৰ য়াংছেৰ নদীৰ বিনষ্ট হোৱা পৰিৱেশ তন্ত্ৰ উদ্ধাৰৰ বাবে দেশখনে ৩০০ টা নদীবান্ধ ভাঙি পেলোৱা তাৎপৰ্যপূৰ্ণ বাতৰি এটা প্ৰকাশ কৰিছে।

দ্বিতীয়জন ভাৰতীয় নভোচৰ আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা প্ৰথমজন ভাৰতীয়ৰ কৃতিত্ব অৰ্জন কৰি শুভাংশু শুক্লাই সফল মহাকাশ অভিযান সামৰি আজি পৃথিৱীলৈ উভতি আহিব। অন্যান্য কাকতৰ লগতে **আমাৰ অসম** কাকতেও এই বাতৰি প্ৰকাশ কৰিছে।

যান্ত্রিক জীৱনৰ মাজত প্ৰকৃতিৰ সান্নিধ্য লাভ কৰাৰ বাবে ছিকিমৰ পাকয়ং জিলাৰ য়াকটেনক ভাৰতৰ প্ৰথমখন ডিজিটেল যাযাবৰ গাঁও হিচাপে ঘোষণা কৰা হৈছে। **দৈনিক অসম** কাকতে আলোকচিত্ৰসহ এই বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে ম্যানমাৰ সীমান্তত অৱস্থিত আলফা স্বাধীনৰ শিবিৰত পৰহি পুৱতি নিশাৰ পৰা সংঘটিত আক্ৰমণৰ অহা সাদিনৰ ভিতৰতে প্ৰমাণ দিব বুলি সংগঠনটোৰ মুৰব্বী পৰেশ বৰুৱাই কৰা মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে।

খিলঞ্জীয়াক সংখ্যালঘু কৰাৰ ষড়যন্ত্ৰে একাংশই চৰকাৰী ভূমি বেদখল কৰিছে বুলি মুখ্যমন্ত্ৰীৰ ভাষ্যৰে **অসমীয়া খবৰ** কাকতে বাতৰি প্ৰকাশ কৰিছে।

আত্মহত্যাৰ চেষ্টাৰে অট্টালিকাৰ পৰা জাঁপ মৰা কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত ত্ৰিদিপ কুমাৰ কোঁৱৰৰ চিকিৎসাধীন অৱস্থাতে কালি মৃত্যু হয়। এই বাতৰি **নিয়মীয়া বাৰ্তা কাকতৰ।**

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত